# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 03-04-2025
**Time:** 1910 Hrs

## *Assamese Evening Bulletin*
### *Headlines*

**- - - - - - - - - - - - - -**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত বেংককত ভাৰত আৰু থাইলেণ্ডৰ মাজত ছখন সহযোগিতা চুক্তি স্বাক্ষৰিত হয়।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ভাৰতীয় সেনাৰ মাউণ্ট এভাৰেষ্ট আৰু মাউণ্ট কাঞ্চনজংঘা অভিযানৰ শুভাৰম্ভ কৰে।

৩। ৰাজ্যসভাত ৱক্‌ফ সংশোধনী বিধেয়ক ২০২৫ সন্দৰ্ভত বিতৰ্ক অব্যাহত আছে।

৪। কেন্দ্ৰীয় চৰকাৰে দেশত খাদ্য সমতা সুনিশ্চিত কৰাৰ অৰ্থে অনতিপলমে ১০০ টাকৈ খাদ্য পৰীক্ষণ পৰীক্ষাগাৰ স্থাপন কৰিব।

*আৰু*

৫। আই পি এল টী টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাত খন্তেক পাছতে ছানৰাইজাৰ্ছ হায়দৰাবাদ, কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

থাইলেণ্ড ভ্ৰমনলৈ যোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দুপৰীয়া বেংককত দুয়োখন দেশৰ মাজত ছখন সহযোগিতাৰ চুক্তিত স্বাক্ষৰ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু থাই প্ৰধানমন্ত্ৰী পেটোংটাৰ্ণ শিনাৱাত্ৰাৰ মাজত হোৱা দ্বিপাক্ষিক আলোচনাৰ পিছতে তথ্য-প্ৰযুক্তি, সামুদ্ৰিক সহযোগিতা, ক্ষুদ্ৰ উদ্যোগ,হস্ততাঁত, বস্ত্ৰ শিল্পকে ধৰি বহু ক্ষেত্ৰত উন্নয়নৰ বাবে এই চুক্তিসমূহ স্বাক্ষৰ কৰা হয়। আলোচনাকালত দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰাৰ লগতে ভাৰত আৰু থাইলেণ্ডৰ দ্বিপাক্ষিক অংশীদাৰিত্ব অধিক তৰান্বিত কৰাৰ উপায়সমূহৰ বিষয়েও আলোচনা কৰা হয়। ইয়াতে প্ৰধানমন্ত্ৰী মোদীয়ে আনুষ্ঠানিক গাৰ্ড অৱ অনাৰ লাভ কৰে। এই দ্বিপাক্ষিক আলোচনাৰ পিছতে তেওঁৰ যুটীয়া বিবৃতিত প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰত-থাইলেণ্ডৰ সম্পৰ্কক কৌশলগত অংশীদাৰিত্বলৈ উন্নীত কৰাৰ সিদ্ধান্তৰ কথা ঘোষণা কৰে। শ্ৰী মোদীয়ে লগতে উল্লেখ কৰে যে ভাৰতৰ 'এক্ট ইষ্ট "

পলিচি আৰু ভাৰত-প্ৰশান্ত মহাসাগৰীয় দৃষ্টিভংগীৰ ক্ষেত্ৰত থাইলেণ্ডৰ এক বিশেষ গুৰুত্ব আছে আৰু দুয়োখন দেশৰ নিৰাপত্তা সংস্থাসমূহৰ মাজতো 'কৌশলগতভাৱে আলোচনা আগবঢ়োৱাৰ 'বিষয়ে চিন্তা-চৰ্চা চলি আছে। উত্তৰ-পূৱ ভাৰত আৰু থাইলেণ্ডৰ মাজত পৰ্যটন,শিক্ষা-সংস্কৃতিৰ ক্ষেত্ৰত বিশেষ সহযোগিতাৰ বিষয়টোৱেও আলোচনা গুৰুত্ব লাভ কৰে বুলি তেওঁ মন্তব্য কৰে। দুয়োখন দেশৰ নেতা দুগৰাকীৰ মাজত বানিজ্য তথা বিনিয়োগ বৃদ্ধিৰ বিষয়টোও আলোচনা কৰা হয়। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে শতিকা পুৰণি ভাৰত আৰু থাইলেণ্ডৰ এই সম্পৰ্ক গভীৰ আধ্যাত্মিক আৰু সাংস্কৃতিক এনাজৰীৰে বান্ধ খাই আছে য'ত বুদ্ধ ধৰ্মই দেশদুখনৰ নাগৰিকসকলক একেলগ কৰি ৰাখিছে। আয়ুথ্থাৰ পৰা নালন্দালৈ বহু মনিষীয়ে দুয়োখন দেশৰ পবিত্ৰ ভূমিক উজ্জীৱিত কৰিছিল বুলি মন্তব্য কৰি তেওঁ কয় যে থাই লোকসংস্কৃতিত ৰামায়ণৰ কাহিনী গভীৰলৈ শিপাই আছে আৰু তেওঁলোকৰ ভাষা তথা পৰম্পৰাত সংস্কৃত আৰু পালি ভাষাৰ প্ৰভাৱ আজিও বিদ্যমান। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ভ্ৰমনৰ সময়ত লাভ কৰা আতিথ্যৰ বাবে থাই প্ৰধানমন্ত্ৰী শিনাৱাত্ৰালৈ কৃতজ্ঞতা প্ৰকাশ কৰাৰ লগতে শেহতীয়াকৈ থাইলেণ্ডত অহা ভূমিকম্পত প্ৰান হেৰুওঁৱা লোকসকলৰ প্ৰতি প্ৰধানমন্ত্ৰীগৰাকীয়ে সমগ্ৰ ভাৰতবাসীৰ হৈ শোক প্ৰকাশ কৰে।

উল্লেখযোগ্য যে ষষ্ঠ BIMSTEC শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি থাইলেণ্ডৰ বেংককত উপস্থিত হৈছে। বেংকক বিমান বন্দৰত উপস্থিত হোৱাৰ পাছত প্ৰধানমন্ত্ৰীগৰাকীক দেশখনৰ উপ-প্ৰধানমন্ত্ৰী ছুৰিয়া জুংৰুংৰেংগ্‌কিটে আদৰণি জনায়। ২০১৬ আৰু ২০১৯ বৰ্ষৰ পাছত এয়া হ'ল প্ৰধানমন্ত্ৰী মোদীৰ তৃতীয়টো থাইলেণ্ড ভ্ৰমণ। বেংককত উপস্থিত হোৱাৰ পাছত সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে আসন্ন আনুষ্ঠানিক আলোচনাত অংশগ্ৰহণ কৰাৰ বাবে আৰু থাইলেণ্ডৰ সৈতে ভাৰতৰ সহযোগিতামূলক সম্পৰ্ক সুদৃঢ় কৰি তোলাৰ প্ৰতি তেওঁ আগ্ৰহেৰে অপেক্ষা কৰি আছে।

000000

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি ভাৰতীয় সেনাৰ নতুন দিল্লীৰ চাউথ ব্লকৰ পৰা মাউণ্ট এভাৰেষ্ট আৰু মাউণ্ট কাঞ্চনজঙ্ঘা অভিযানৰ শুভাৰম্ভ কৰে।এই অভিযানত অংশগ্ৰহনকাৰী পৰ্বতাৰোহীসকলৰ সৈতে বাৰ্তালাপ কৰি শ্ৰী সিঙে তেওঁলোকৰ নিষ্ঠা, সাহস, আৰু সংকল্পৰ প্ৰশংসা কৰে। এনেধৰনৰ অভিযানসমূহে দেশৰ যুৱপ্ৰজন্মক অনুপ্ৰাণিত কৰাৰ লগতে পৰ্বতাৰোহণত ভাৰতৰ নেতৃত্বত গুৰুত্ব আৰোপ কৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে।

উল্লেখযোগ্য যে, ভাৰতীয় সেনাৰ লেফটেনেণ্ট কৰ্ণেল মনোজ যোশীয়ে নেতৃত্ব দিয়া ৩৪ গৰাকী আৰোহীৰে গঠিত মাউণ্ট এভাৰেষ্ট অভিযানৰ দলটোৱে পৰম্পৰাগত চাউথ কল ৰুট অনুসৰণ কৰিব। আনহাতে কাঞ্চনজঙ্ঘা পৰ্বত আৰোহণৰ লক্ষ্যৰে চলোৱা যুটীয়া ভাৰত-নেপাল অভিযানত ভাৰতীয় সেনাৰ ১২গৰাকী আৰু নেপালী সেনাৰ ৬ গৰাকী পৰ্বতাৰোহীয়ে অংশগ্ৰহণ কৰিব। এই অভিযানৰ নেতৃত্ব দিব ভাৰতীয় সেনাৰ কৰ্ণেল ছাৰফৰাজ সিঙে। তদুপৰি মাউণ্ট এভাৰেষ্টলৈ আন এটা যুটীয়া এনচিচি অভিযানৰ নেতৃত্ব দিব কৰ্ণেল অমিত বিষ্টে।দলটোত পাঁচগৰাকীকৈ যুৱক আৰু যুৱতী কেডেট, চাৰিজন বিষয়া আৰু ১১ জন স্থায়ী প্ৰশিক্ষক কৰ্মচাৰী আছে।অভিযানকাৰী দলকেইটাই এমাহৰ ভিতৰত নিজ নিজ শিখৰত উপনীত হোৱাৰ লক্ষ্য লৈছে।

0000

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি নতুন দিল্লীত চলি থকা সেনাবাহিনীৰ শীৰ্ষ পৰ্যায়ৰ দ্বিবাৰ্ষিক অনুষ্ঠান সেনা কমাণ্ডাৰ সন্মিলনত বৰ্তমানৰ ভূ-কৌশলগত অনিশ্চয়তাৰ ওপৰত আলোকপাত কৰি সশস্ত্ৰ বাহিনীয়ে হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী দুয়োটা প্ৰত্যাহ্বানৰ বাবে সাজু হোৱাৰ প্ৰয়োজনীয়তাৰ আছে বুলি গুৰুত্ব আৰোপ কৰে। শ্ৰী সিঙে গুৰুত্ব কয় যে হাইব্ৰিড ৱাৰফেয়াৰকে ধৰি অপৰম্পৰাগত আৰু অসমতা যুদ্ধ কৌশল ভৱিষ্যতৰ যুদ্ধৰ অংশ হ 'ব। চাইবাৰ, তথ্য, যোগাযোগ, বাণিজ্য আৰু বিত্ত আদি সকলো ভৱিষ্যতৰ সংঘাতৰ অবিচ্ছেদ্য অংশ হৈ পৰিছে আৰু ইয়াৰ বাবে সশস্ত্ৰ বাহিনীয়ে পৰিকল্পনা আৰু ৰণনীতি প্ৰস্তুত কৰাৰ সময়ত এই সকলোবোৰ দিশ বিবেচনা কৰাটো প্ৰয়োজনীয় হৈ পৰিছে বুলি তেওঁ উল্লেখ কৰিছে। ভাৰতৰ উত্তৰ সীমান্তৰ বৰ্তমানৰ পৰিস্থিতি সন্দৰ্ভত, শ্ৰী সিঙে সেনাৰ ওপৰত সম্পূৰ্ণ আস্থা প্ৰকাশ কৰিছে আৰু সশস্ত্ৰ বাহিনীক দৃঢ় আৰু সতৰ্ক হৈ থকাৰ বাবে প্ৰশংসা কৰিছে। পশ্চিম সীমান্তৰ পৰিস্থিতিৰ কথা উল্লেখ কৰি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয় যে কেন্দ্ৰীয় শাসিত অঞ্চল জম্মু-কাশ্মীৰত সমন্বিত অভিযানসমূহে অঞ্চলটোত সুস্থিৰতা বৃদ্ধি কৰাত অৰিহণা যোগাইছে।

00000

ৰাজ্যসভাত ৱক্‌ফ সংশোধনী বিধেয়ক ২০২৫ সন্দৰ্ভত বিতৰ্ক অব্যাহত আছে। ৱক্‌ফ সংশোধনী বিধেয়ক ২০২৫ ৰ মূল উদ্দেশ্য হৈছে ঐতিহ্যমণ্ডিত স্থানসমূহৰ সুৰক্ষা আৰু সামাজিক কল্যাণ সাধনৰ তথা ৱক্‌ফ

সম্পত্তিসমূহৰ সঠিক পৰিচালনা কৰা। সম্পত্তি পৰিচালনাত স্বচ্ছতা অনা, ৱক্‌ফ পৰিষদ আৰু স্থানীয় কৰ্তৃপক্ষৰ সৈতে সহযোগিতা স্থাপন কৰা আৰু অংশীদাৰসকলৰ অধিকাৰ সুৰক্ষা কৰাও এই বিধেয়কৰ অন্যতম লক্ষ্য। এই বিধেয়কে মুছলমান মহিলাৰ সামাজিক আৰু অৰ্থনৈতিক অৱস্থা বিশেষকৈ বিধৱা আৰু বিবাহ বিচ্ছেদিত মহিলাসকলৰ উন্নতি কৰিবলৈ ব্যৱস্থা লৈছে। ৱক্‌ফ প্ৰশাসন আৰু সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়া উন্নত কৰি তোলাৰ বাবে বিভিন্ন মুছলিম ফৈদৰ অন্তৰ্ভুক্তিকৰণ এই সংশোধনী বিধেয়কৰ অন্যতম মূল উদ্দেশ্য।

ৰাজ্যসভাত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে বিধেয়কখন উত্থাপন কৰি কয়, যে এই বিধেয়ক বিভিন্ন অংশীদাৰ আৰু যুটীয়া সংসদীয় সমিতিৰ পৰাৰ্শৰ ভিত্তিত গ্ৰহণ কৰা হৈছে। তেওঁ বিৰোধীপক্ষক বিধেয়কখন সমৰ্থন কৰিবলৈ আহ্বান জনায়। বিৰোধীৰ অভিযোগ খণ্ডন কৰি শ্ৰী ৰিজিজুৱে কয় যে, কেৱল মুছলিমসকলেহে এই বিধেয়কৰ লাভ উপভোগ কৰিব পাৰিব। ৱক্‌ফ সম্পত্তিৰ পৰিচালনাত কোনো অনামুছলমানে হস্তক্ষেপ নকৰে বুলিও তেওঁ স্পষ্ট কৰি দিয়ে। তেওঁ এই বিধেয়কৰ জৰিয়তে ৱক্‌ফ সম্পত্তিৰ উন্নত পৰিচালনা নিশ্চিত কৰি কয়, যে ইয়াৰ জৰিয়তে মুছলমানসকলৰ ধৰ্মীয় অনুশীলনত কোনো ধৰণৰ প্ৰভাৱ নপৰে। তেওঁ ৱক্‌ফ ব'ৰ্ডত বিভিন্ন মুছলিম ফৈদৰ লোকৰ অন্তৰ্ভুক্তিৰ লগতে মহিলাৰো অংশগ্ৰহণৰ দিশটোত আলোকপাত কৰে। ড০ চৈয়দ নাছিৰ হুছেইনে কয়, যে এই বিধেয়কে বিপথে পৰিচালিত কৰাৰ লগতে ধৰ্মীয় মেৰুকৰণত ইন্ধন যোগাব। বিজেপিয়ে জনগোষ্ঠীসমূহক ভাগ ভাগ কৰিব বিচাৰিছে বুলিও ড০ হুছেইনে অভিযোগ কৰে।

ডি এম কেৰ তিৰুচী শিৱাই বিধেয়কখনৰ বিৰোধিতা কৰি কয়, যে এয়া অসংবিধানিক। টি এম চিৰ সাংসদ মহম্মদ নাদিমুল হকে এই বিধেয়ক জনসাধাৰণৰ মৌলিক অধিকাৰৰ বিৰোধী বুলি মন্তব্য কৰে। আম আদমী পাৰ্টীৰ সাংসদ সঞ্জয় সিঙে বিধেয়কখনক অসংবিধানিক আখ্যা দিয়ে। আৰ জে ডিৰ মনোজ কুমাৰ ঝাই বিধেয়কখনৰ বিষয়বস্তু সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰে। বিজেপিৰ ৰাধামোহন দাসে কংগ্ৰেছৰ শাসনকালত দুখীয়া মুছলিমসকলৰ জীৱন ধাৰণৰ মান উন্নথ কৰাৰ বাবে কংগ্ৰেছে কোনো ধৰণৰ প্ৰচেষ্টা গ্ৰহণ কৰা নাছিল বুলি অভিযোগ তোলে। উল্লেখযোগ্য যে লোকসভাত যোৱা নিশা ৱক্‌ফ সংশোধনী বিধেয়ক ২০২৫ গৃহীত কৰা হয়।

০০০০০

ৱক্‌ফ সংশোধনী বিধেয়ক ২০২৫ৰ মূল লক্ষ্য হৈছে মুছলমান মহিলাই উত্তৰাধিকাৰ সূত্ৰে পোৱা সম্পত্তিৰ অংশৰ অধিকাৰ, বিত্তীয় সমৰ্থন আৰু ৱক্‌ফ সম্পত্তিৰ পৰিচালনাত শক্তিশালী ভূমিকা গ্ৰহণ কৰাটো সুনিশ্চিত কৰা। এই বিধেয়কে ৱক্‌ফ প্ৰশাসনৰ ক্ষেত্ৰত মুছলিম মহিলাসকলে সিদ্ধান্ত গ্ৰহণ কৰিব পৰা ক্ষমতা সুনিশ্চিত কৰিব। ৱক্‌ফলৈ সম্পত্তি হস্তান্তৰিত কৰাৰ পূৰ্বে মহিলাসকলে উত্তৰাধিকাৰ সূত্ৰে পোৱা সম্পত্তিৰ ভাগ লাভ কৰাটো এই বিধেয়কে নিশ্চিত কৰিব। এই বিধেয়কৰ মতে মহিলাসকলে উত্তৰাধিকাৰ সূত্ৰে লাভ কৰা সম্পত্তিৰ অধিকাৰ প্ৰথমে নোপোৱাকৈ কোনেও ৱক্‌ফলৈ সম্পত্তি হস্তান্তৰ কৰিব নোৱাৰিব।

ৱক্‌ফ সংশোধনী বিধেয়ক ২০২৫ৰ জৰিয়তে ৱক্‌ফক সামাজিক কল্যাণ আৰু ন্যায়ৰ এক মাধ্যম হিচাপে বিবেচনা কৰা হৈছে। উত্তৰাধিকাৰ সূত্ৰে পোৱা অধিকাৰ সুনিশ্চিত কৰা, বিধৱা আৰু বিবাহ বিচ্ছেদিত মহিলাসকলক সহায় কৰা, প্ৰশাসনত মহিলাৰ অংশগ্ৰহণ বৃদ্ধি কৰা আৰু অৰ্থনৈতিক স্বাধীনতা স্থাপনৰ জৰিয়তে ৱক্‌ফ প্ৰশাসনত লিংগ সমতা স্থাপন কৰাই হৈছে এই বিধেয়কৰ মূল্য উদ্দেশ্য।

০০০০০

কেন্দ্ৰীয় চৰকাৰে দেশত খাদ্য সমতা সুনিশ্চিত কৰাৰ অৰ্থে অনতিপলমে ১০০ টাকৈ খাদ্য পৰীক্ষণ পৰীক্ষাগাৰ স্থাপন কৰিব। লোকসভাৰ প্ৰশ্নকালীন ঘণ্টাত এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰ কেন্দ্ৰীয় খাদ্য প্ৰসংস্কৰণ মন্ত্ৰী ছিৰাগ পাছোৱানে কয়, যে চৰকাৰে খাদ্য উৎপাদনৰ গুণগত মানৰ ক্ষেত্ৰত আপোচ নকৰে। প্ৰায় ৫০৩ কোটি টকা ব্যয় সাপেক্ষে দেশজুৰি নিৰ্মাণ কৰা ২০৫ টা খাদ্য পৰীক্ষণ পৰীক্ষাগাৰ বৰ্তমান সক্ৰিয় হৈ আছে। খাদ্য সুৰক্ষা আৰু ভাৰতীয় মান প্ৰাধীকৰনে বিগত দুটা বছৰত লাভ কৰা তিনি লাখতকৈও অধিক নমুনাৰ ১৩ হাজাৰটা অসুৰক্ষিত বুলি তথ্য লাভ কৰিছে। এই তথ্য প্ৰকাশ কৰি শ্ৰী পাছোৱানে কয়, যে এই সন্দৰ্ভত দুহেজাৰতকৈও অধিক ফৌজদাৰী গোচৰ ৰুজু কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে কয়, যে এফ এছ্ এছ্ এ আয়ে ইয়াৰ আঞ্চলিক কাৰ্যালয় আৰু ৰাজ্যিক খাদ্য সুৰক্ষা বিভাগৰ জৰিয়তে খাদ্যৰ নিয়মীয়া পৰ্যৱেক্ষণ, নিৰীক্ষণ আৰু খাদ্যৰ নমুনা একত্ৰিত কৰি আহিছে।

ooooo

আই পি এল টী টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত খন্তেক পাছতে হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ, যোৱাবাৰৰ চেম্পিয়ন কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। টছত জিকি ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

ooooo

সমাপ্ত